# 2018

## ASSAMESE

## ( Major )

Paper : 3.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) ভাৰতবৰ্ষত থকা যি কোনো এটা আৰ্য-ভিন্ন ভাষাগোষ্ঠীৰ নাম লিখা।

(খ) অসমীয়া ভাষাটো কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত ?

(গ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ প্ৰধান ভাগ কেইটা ?

(ঘ) আৰ্য নামটো পোনপ্ৰথমে কোনে ব্যৱহাৰ কৰিছিল ?

(ঙ) কেন্তম্ বৰ্গৰ যি কোনো এটা ভাষাৰ নাম লিখা।

(চ) পালি শব্দৰ যি কোনো এটা অৰ্থ লিখা।

(ছ) নব্য-ভাৰতীয় আৰ্যভাষাসমূহৰ বিকাশৰ আনুমানিক সময় কিমান বুলি ঠাৱৰ কৰা হৈছে?

(জ) নামনি অসমৰ যি কোনো এটা উপভাষাৰ নাম লিখা।

(ঝ) অসমীয়া ভাষাত থকা যি কোনো এটা অৰ্ধতৎসম শব্দ লিখা।

(ঞ) *Grammatical notes on the Assamese Language* নামৰ গ্ৰন্থখনি কোনে ৰচনা কৰিছিল?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) কেন্তম্ আৰু সতম্ শব্দ দুটাৰ অৰ্থ কি?

(খ) ত্ৰিপিটক শব্দই কি বুজায়?

(গ) তৎসম আৰু তদ্ভৱ শব্দৰ অৰ্থ কি?

(ঘ) দুটা অবৰ্গীকৃত ভাষাৰ নাম লিখা।

(ঙ) মধ্য-ভাৰতীয় আৰ্যভাষাৰ স্তৰ কেইটা? যি কোনো এটা স্তৰৰ নাম উল্লেখ কৰা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰত-হিট্টী ভাষা সম্পৰ্কে এটি টোকা লিখা।

(খ) প্ৰাকৃত শব্দই কি বুজায়? যি কোনো এবিধ প্ৰাকৃতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) সংস্কৃতৰ স্বৰধ্বনিবোৰৰ মধ্য-ভাৰতীয় আৰ্যভাষাত কি কি পৰিৱৰ্তন হৈছে, আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাৰ উৎপত্তি সম্বন্ধে থকা দুটা মত উল্লেখ কৰা।

(ঙ) অসমীয়া ভাষাত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ সৰহ হোৱাৰ দুটা কাৰণ ব্যাখ্যা কৰা।

(চ) উপভাষা কাক বোলে? অসমক কি কি উপভাষা-ক্ষেত্ৰত ভাগ কৰিব পাৰি, আলোচনা কৰা।

৪। (ক) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনিতত্ত্ব সম্বন্ধে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) ইণ্ডো-ইউৰোপীয় নামটোৰ উদ্ভাৱক কোন? এই নামটো সাৰ্থক হোৱা বুলি ভাবানে? বহলাই আলোচনা কৰা। ১০

৫। (ক) অসমীয়া ভাষাত সংস্কৃতীয়া প্ৰভাৱ—এই শিতানত এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ দেশী আৰু বিদেশী শব্দ সম্পৰ্কে আলোচনা কৰা। ১০

৬। (ক) সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজা? যি কোনো এবিধ সাহিত্যিক প্ৰাকৃতৰ বিষয়ে লিখা। ১০

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ বিভিন্ন স্তৰসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা। ১০

৭। (ক) মান্য অসমীয়াৰ লগত কামৰূপী উপভাষাৰ এটি তুলনামূলক আলোচনা কৰা। ১০

*অথবা*

(খ) অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত দুটা আৰ্য-ভিন্ন ভাষাৰ বিষয়ে চমুকৈ আলোচনা কৰা। ১০

★★★